# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 30-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

ooooooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিয়লি গুজৰাটৰ একতা নগৰত  কেইবাটাও আন্তঃগাঁথনি আৰু উন্নয়ন প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত চাৰে চাৰি বছৰ যোৱা সামৰিক অচলাৱস্থাৰ পাছত ভাৰত আৰু চীনৰ মাজত পুৱ লাডাখৰ দেপচাং আৰু ডেমচ'ক এলেকাৰ পৰা সৈন্য প্ৰত্যাহাৰৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

৩। বিজেপিয়ে কৈছে যে নিৰ্বাচন আয়োগে যিধৰণে কংগ্ৰেছ দলৰ ভিত্তিহীন অভিযোগৰ উত্তৰ দিছে তাৰ পৰা দলটোৰে যে ক্ষমতাৰ লালসাৰ বাবে অবিৰতভাৱে অভিযান চলাই আহিছে সেই কথা স্পষ্ট হৈ পৰিছে।

৪। ভাৰতীয় ৰে'লৱেই দীপাৱলী আৰু ষট পূজাৰ সময়ছোৱাত যাত্ৰীৰ ভীৰৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিবছৰৰ দৰে এইবাৰো হাজাৰৰো অধিক বিশেষ ৰে'লগাড়ী চলাচল কৰোৱাইছে। ***আৰু***

৫। দক্ষিণ আফ্ৰিকাৰ বেগী বলাৰ কাগিচ' ৰাবাডাই আই চি চি পুৰুষৰ টেষ্ট বলিং ৰেংকিঙত পুনৰ শীৰ্ষ স্থান দখল কৰিছে।

ooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিয়লি গুজৰাটৰ একতা নগৰত  কেইবাটাও আন্তঃগাঁথনি আৰু উন্নয়ন প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। পৰ্যটকৰ সুবিধা আৰু যাত্ৰা সুগম কৰি তোলাৰ লগতে এলেকাটোত বহনক্ষমতা প্ৰচেষ্টাৰ প্ৰতি সহায় আগবঢ়োৱাৰ উদ্দেশ্যে এই প্ৰকল্পটো নিৰ্মাণ কৰিবলৈ লোৱা হৈছে। শ্ৰীমোদীয়ে **সম্প্ৰতি আৰম্ভ** পাঠ্যক্ৰমৰ ষষ্ঠ পৰ্যায়ত ৯৯ সংখ্যক উমৈহতীয়া প্ৰাৰম্ভিক পাঠ্যক্ৰমৰ প্ৰশিক্ষাৰ্থী বিষয়াসকলক সম্বোধন কৰিছে। এই পাঠ্যক্ৰমৰ অধীনত ভাৰতীয় অসামৰিক সেৱাৰ  ১৬ টা আৰু ভূটানৰ অসামৰিক সেৱাৰ ৩ টা শাখাৰ মুঠ ৬৫৩ গৰাকী প্ৰশিক্ষাৰ্থী বিষয়াই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে।

ooo

বিজেপিয়ে কৈছে যে নিৰ্বাচন আয়োগে যিধৰণে কংগ্ৰেছ দলৰ ভিত্তিহীন অভিযোগৰ উত্তৰ দিছে তাৰ পৰা দলটোৰে যে ক্ষমতাৰ লালসাৰ বাবে অবিৰতভাৱে অভিযান চলাই আহিছে সেই কথা স্পষ্ট হৈ পৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দলৰ মুখপাত্ৰ ড০ সুধাংশু ত্ৰিবেদীয়ে কয় যে, কংগ্ৰেছে সাংবিধানিক প্ৰতিষ্ঠানসমূহক অৱমাননা আৰু অপমান কৰাৰ প্ৰয়াস চলাই আহিছে আৰু এয়া সচাকৈ দুৰ্ভাগ্যজনক। তেওঁ কয় যে কংগ্ৰেছৰ যে গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহৰ প্ৰতি অকণো আস্থা নাই সেয়া জলজল পটপট হৈ পৰিছে।

কংগ্ৰেছে ভাৰতীয় ব্যৱস্থাক দুৰ্বল কৰি তোলাৰ বাবে যিকোনো পৰ্যায়লৈ যাব পাৰে বুলি শ্ৰীত্ৰিবেদীয়ে অভিযোগ কৰে। তেঁও কয় যে, ইয়াৰ বাবে অকল নিৰ্বাচন আয়োগৰ ওচৰতে নহয় বৰং সমগ্ৰ দেশৰ জনসাধাৰণৰ ওচৰত ক্ষমা খোজা উচিত।

নিৰ্বাচন আয়োগে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ অনিয়ম হোৱা বুলি কংগ্ৰেছ দলে উত্থাপন কৰা অভিযোগ ভিত্তিহীন বুলি মন্তব্য কৰিছে। আয়োগে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ লিখা এখন পত্ৰত নিৰ্বাচন আৰু ভোটগণনাৰ দৰে স্পৰ্শকাতৰ মুহুৰ্তত এনেধৰণৰ ভিত্তিহীন আৰু চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰাৰ পৰা বিৰত থাকিবলৈ কংগ্ৰেছ আৰু অন্য ৰাজনৈতিক দলসমূহক সকিয়াই দিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, উদ্ভাৱন আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতীয় যুৱক-যুৱতীসকলক শ্ৰেষ্ঠ বুলি গণ্য কৰা হয়। শ্ৰীমোদীয়ে গীটহাবৰ মুখ্য কাৰ্যবাহী বিষয়া থ'মাছ দোমকেৰ সামাজিক মাধ্যমৰ এটা পোষ্ট শ্বেয়াৰ কৰিছে। পোষ্টত সমগ্ৰ বিশ্বত ভাৰতৰ  সবাতোকৈ দ্ৰুত বিকাশশীল কম্পিউটাৰ প্ৰগ্ৰেম বিকাশকক ভূয়সী প্ৰশংসা কৰিছে আৰু প্ৰযুক্তি ক্ষেত্ৰৰ অগ্ৰণী হিচাপে দেশৰ নিৰন্তৰ উত্থানৰ কথা উল্লেখ কৰিছে। শ্ৰীদোমকে কৈছে যে, ভাৰতৰ বিকাশকসকলে দ্ৰুত গতিত আগবাঢ়িছে আৰু কৃত্ৰিম বুদ্ধিমত্তাক গুৰুত্বপূৰ্ণ আহিলা হিচাপে ব্যৱহাৰ কৰিবলৈ লৈছে। তেওঁলোকে কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰিয়েই কৃত্ৰিম বুদ্ধিমত্তা প্ৰণালী ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিছে। মুখ্য কাৰ্যবাহী বিষয়াগৰাকীয়ে কয় যে,  সাৰ্বজনীন উৎপাদক কৃত্ৰিম বুদ্ধিমত্তা প্ৰকল্পৰ ক্ষেত্ৰত ভাৰতৰ অৱদান দ্বিতীয় সৰ্বাধিক এই মহাদেশতে ভৱিষ্যত প্ৰজন্মৰ কৃত্ৰিম বুদ্ধিমত্তা বহুজাতিক কোম্পানীৰ গঢ় লৈ উঠাৰ পূৰ্ণ সম্ভাৱনা আছে বুলি শ্ৰীদোমকে প্ৰকাশ কৰে।

০০০

বিজেপিয়ে কৈছে যে নিৰ্বাচন আয়োগে যিধৰণে কংগ্ৰেছ দলৰ ভিত্তিহীন অভিযোগৰ উত্তৰ দিছে তাৰ পৰা দলটোৱে যে ক্ষমতাৰ লালসাৰ বাবে অবিৰতভাৱে অভিযান চলাই আহিছে সেই কথা স্পষ্ট হৈ পৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দলৰ মুখপাত্ৰ ড০ সুধাংশু ত্ৰিবেদীয়ে কয় যে, কংগ্ৰেছে সাংবিধানিক প্ৰতিষ্ঠানসমূহক অৱমাননা আৰু অপমান কৰাৰ প্ৰয়াস চলাই আহিছে আৰু এয়া সচাঁকৈ দুৰ্ভাগ্যজনক। তেওঁ কয় যে কংগ্ৰেছৰ যে গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহৰ প্ৰতি অকণো আস্থা নাই সেয়া জলজল পটপট হৈ পৰিছে। কংগ্ৰেছে ভাৰতীয় ব্যৱস্থাক দুৰ্বল কৰি তোলাৰ বাবে যিকোনো পৰ্যায়লৈ যাব পাৰে বুলি শ্ৰীত্ৰিবেদীয়ে অভিযোগ কৰে। তেঁও কয় যে, ইয়াৰ বাবে অকল নিৰ্বাচন আয়োগৰ ওচৰতে নহয় বৰং সমগ্ৰ দেশৰ জনসাধাৰণৰ ওচৰত ক্ষমা খোজা উচিত।

নিৰ্বাচন আয়োগে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ অনিয়ম হোৱা বুলি কংগ্ৰেছ দলে উত্থাপন কৰা অভিযোগ ভিত্তিহীন বুলি মন্তব্য কৰিছে। আয়োগে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ লিখা এখন পত্ৰত নিৰ্বাচন আৰু ভোটগণনাৰ দৰে স্পৰ্শকাতৰ মুহুৰ্তত এনেধৰণৰ ভিত্তিহীন আৰু চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰাৰ পৰা বিৰত থাকিবলৈ কংগ্ৰেছ আৰু অন্য ৰাজনৈতিক দলসমূহক সকিয়াই দিছে।

০০০

দেশজুৰি পোহৰৰ উৎসৱ দীপাৱলী উৎসাহ-উদ্দীপনাৰে পালন কৰাৰ বাবে প্ৰস্তুতি চলা পৰিলক্ষিত হৈছে। ৰাম জনমভূমি মন্দিৰতো প্ৰথম দীপাৱলী উৎসৱৰ আয়োজন কৰা হৈছে। অযোধ্যাত আজি দীপাৱলীৰ প্ৰাকসন্ধিয়া ২৮

লাখ বন্তি প্ৰজ্বলনেৰে নতুন বিশ্ব অভিলেখ গঢ়াৰ কাৰ্যসূচী লোৱা হৈছে। ৰাম মন্দিৰ চৌহদত এইবাৰ উদযাপন কৰা দীপাৱলী উৎসৱ বিশেষ ব্যতিক্ৰমী বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। অযোধ্যাত নৱনিৰ্মিত ৰাম মন্দিৰত প্ৰাণ প্ৰতিষ্ঠাৰ পাছৰ **দীপোৎসৱ ২০২৪** হিচাপে উদযাপন কৰিবলগীয়া এই প্ৰথমটো দীপাৱলীৰ বাবে উত্তৰ প্ৰদেশ চৰকাৰে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰিছে। সৰযু নৈৰ পাৰত ২৮ লাখ চাকি প্ৰজ্বলন কৰি ৰাম মন্দিৰ পোহৰাই তোলা হৈছে।

০০০

ভাৰতীয় ৰে'লৱেই দীপাৱলী আৰু ষট পূজাৰ সময়ছোৱাত যাত্ৰীৰ ভীৰৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিবছৰৰ দৰে এইবাৰো হাজাৰৰো অধিক বিশেষ ৰে'লগাড়ী চলাচল কৰোৱাইছে। ৰে'লৱেই যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বিগত বৰ্ষৰ তুলনাত চলিত বৰ্ষত ২ হাজাৰ ৫০০ৰো অধিক অতিৰিক্ত ৰে'লগাড়ীৰ চলাচল কৰোৱাইছে। অলপতে ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে বিগত বৰ্ষৰ ৪ হাজাৰ ৫০০ খন ৰে'লগাড়ীৰ তুলনাত চলিত বৰ্ষত ৭ হাজাৰ খন বিশেষ ৰে'লগাড়ী চলাচল কৰোৱাৰ কথা ঘোষণা কৰিছিল। তেওঁ এই বিশেষ ৰেলগাড়ীকেইখনে প্ৰতিদিনে প্ৰায় ২ লাখ অতিৰিক্ত যাত্ৰী যাত্ৰা কৰিব পাৰিব বুলিও প্ৰকাশ কৰিছে।

ৰে'লৱেই  উৎসৱৰ বতৰত যাত্ৰীৰ বৰ্ধিত সংখ্যালৈ চাই উন্নত ভীৰ নিয়ন্ত্ৰণ আৰু দিল্লীৰ ঘাই ঘাই ৰেল ষ্টেছনসমূহত যাত্ৰীসকললৈ সুচল সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে ভালেমান পদক্ষেপ লৈছে। আমাৰ সংবাদদাতাই জনাইছে যে, গুৰুত্বপূৰ্ণ ষ্টেছনসমূহত অতিৰিক্ত টিকট কাউণ্টাৰ স্থাপন কৰা হৈছে। ইয়াৰ উপৰি যাত্ৰীৰ আৱশ্যকতা পূৰণৰ উদ্দেশ্যে স্বয়ংক্ৰিয় ভেন্দিং মেচিন, অনুসন্ধান কেন্দ্ৰ, আহাৰ যোগান সেৱা, খোৱাপানী আৰু ভ্ৰাম্যমান শৌচালয়ো স্থাপন কৰা হৈছে।

০০০

বাণিজ্য মন্ত্ৰী পিয়ুষ গোৱেলে আজি ৰিয়াধত ভাৰত চৌদি আৰৱৰ সম্পৰ্কত ধাৰাবাহিকভাৱে উচ্চ পৰ্যায়ৰ বৈঠক আৰু সাংস্কৃতিক সংযোগৰ জৰিয়তে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰাৰ উদ্দেশ্যে এক বিশেষ কূটনৈতিক অভিযানত অংশগ্ৰহণ কৰে।

মন্ত্ৰীগৰাকীয়ে আজি ভৱিষ্যত বিনিয়োগ সন্মিলনৰ পেনেল আলোচনাত অংশগ্ৰহণ কৰাৰ লগতে ৰিয়াধত লুলু হাইপাৰ মাৰ্কেটত লুলু ৰালী দিৱালী উদ্বোধন কৰি দুয়োখন দেশৰ মাজৰ বৰ্ধিত সাংস্কৃতিক বন্ধনৰ ওপৰত আলোকপাত কৰে।

মন্ত্ৰীমণ্ডলৰ বৈঠকত কৌশলগত অংশীদাৰিত্ব পৰিষদৰ গুৰুত্বপূৰ্ণ আলোচনাও অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ উপৰি চৌদি আৰৱৰ উদ্যোগ আৰু খনিজ মন্ত্ৰী বান্দাৰ অল খৰাৰেফ আৰু বিনিয়োগ মন্ত্ৰী খালিদ অল ফালিহৰ সৈতে দ্বিপাক্ষিক বৈঠকো অনুষ্ঠিত হব।

০০০

অহা ১৩ নৱেম্বৰত অসমৰ ৫টা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। ইপিনে আজি ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰা এজন নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰে। ইয়াৰ ফলত সমাগত উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া মুঠ প্ৰাৰ্থীৰ সংখ্যা ৩৪ গৰাকী হয়। উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ ভিতৰত ধলাইত

৮ জন, ছিদলীত ৩ জন, বঙাইগাঁৱত ৮ জন, বিহালীত ৪ জন আৰু চামগুৰি সমষ্টিত ১১ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০

কেন্দ্ৰীয় চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰা উপলক্ষে অহা ৩ নৱেম্বৰৰ পৰা ৯ নৱেম্বৰলৈ ৰাজ্যজুৰি ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হ'ব। চৰাইদেউ জিলাতো বিভিন্ন কাৰ্যসূচীৰে ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ বিভিন্ন দিশ আৰু প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰাৰ বাবে আজি জিলা আয়ুক্তৰ অধ্যক্ষতাত এখন সভা অনুষ্ঠিত হয়।

০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকৰ বাবে হাতী ছাফাৰী মুকলি কৰা হ'ব। ইতিমধ্যে হাতীৰ ছাফাৰীৰ বাবে হাতীৰ স্বাস্থ্য পৰীক্ষা, মাউতৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় সকলো কাম-কাজ সম্পন্ন কৰা হৈছে। কঁহৰা বনাঞ্চলত বন বিভাগৰ ১০টা পোহনীয়া হাতী আৰু বাগৰি বনাঞ্চলত প্ৰায় ৫০ হাতীৰ পঞ্জীয়ন কৰা হৈছে। ইপিনে, নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্প ২০২৪-২৫ বৰ্ষৰ বাবে আজিৰে পৰা দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। পশ্চিম অসম বন্যপ্ৰাণী বিভাগৰ বন সংৰক্ষক তথা নামেৰী ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ পৰিচালকে এই বিষয়ে জানিবলৈ দিছে।

০০০

দক্ষিণ আফ্ৰিকাৰ বেগী বলাৰ কাগিচ' ৰাবাডাই আই চি চি পুৰুষৰ টেষ্ট বলিং ৰেংকিঙত পুনৰ শীৰ্ষ স্থান দখল কৰিছে। তেওঁ জচ হেজলউড, যশপ্ৰীত বুমৰাহ আৰু ৰবিচন্দ্ৰন অশ্বীনক অতিক্ৰম কৰি শীৰ্ষস্থান লাভ কৰে। ইয়াৰ উপৰি ২৯ বছৰীয়া খেলুৱৈগৰাকীয়ে ৩০০ টা টেষ্ট উইকেট দখল কৰা দক্ষিণ আফ্ৰিকাৰ দ্ৰুততম বলাৰ হিচাপেও পৰিগণিত হৈছে।

ইয়াৰ পূৰ্বে ৰাবাডাই ২০১৮ বৰ্ষৰ জানুৱাৰীত শীৰ্ষস্থান দখল কৰিছিল।

০০০

সমাপ্ত